# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 26-05-2025 **Time :** 1845 Hrs.

## Assamese Evening Bulletin
## Headlines

১। ৰাজ্যসভাৰ খালী হ'বলগীয়া অসমৰ দুখন আসনসহ মুঠ আঠখন আসনৰ বাবে অহা ১৯ জুন নিৰ্বাচনৰ দিন ঘোষণা।

২। ৰাজ্যত প্ৰতিৰক্ষা কৰিড'ৰ স্থাপন কৰিবলৈ কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আহ্বান।

৩। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নতুন সভাপতি হিচাপে গৌৰৱ গগৈক নিযুক্তি।

৪। প্ৰধানমন্ত্ৰীৰ ধ্বজাবাহী আঁচনিসমূহ ক্ষিপ্ৰতাৰে ৰূপায়ণ কৰিবলৈ বিশ্বনাথৰ বিভাগীয় মুৰববীসকললৈ কয়লা আৰু খনি দপ্তৰৰ ৰাজ্যমন্ত্ৰী সতীশ চন্দ্ৰ ডুবেৰ নিৰ্দেশ।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি জয়পুৰত হ'বলগীয়া খেলত মুম্বাই ইণ্ডিয়ানছ, পঞ্জাব কিংছৰল মুখামুখি।

০০০০০০০

ৰাজ্যসভাৰ খালী হবলগীয়া আঠখন আসনৰ বাবে অহা ১৯ জুনত নিৰ্বাচন অনুষ্ঠিত হব। অহা ১৪ জুনত অসমৰ মিছন ৰঞ্জন দাস আৰু বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ কাৰ্যকাল অন্ত পৰাৰ লগতে অহা ২৪ জুলাইত তামিলনাডুৰ ছখন আসন খালী হব। ইয়াৰ পৰিপ্ৰেক্ষিতত দেশৰ নিৰ্বাচন আয়োগে ৰাজ্যসভাৰ খালী হবলগীয়া আঠখন আসনৰ বাবে নিৰ্বাচনৰ দিন ঘোষণা কৰে। সেই অনুসৰি অহা ২ জুনত অধিসূচনা জাৰি হব। প্ৰাৰ্থীৰ মনোনয়ন দাখিলৰ অন্তিম দিন ৯ জুন ধাৰ্য কৰা হৈছে। ১০ জুনত মনোনয়ন পৰীক্ষাৰ কৰা হব। নিৰ্বাচন আয়োগে প্ৰাৰ্থীৰ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ১২ জুন ধাৰ্য কৰিছে। উল্লেখযোগ্য যে ১৯ জুনৰ পুৱা ৯ বজাৰ পৰা ৪ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ পাছত সেইদিনাই বিয়লি ৫ বজাত ভোটগণনা কৰা হব।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যত প্ৰতিৰক্ষা কৰিড'ৰ স্থাপনৰ বিষয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰে আলোচনা কৰে। প্ৰতিৰক্ষা কৰিড'ৰ স্থাপনে পূব সীমান্তত সেনাবাহিনীৰ চাহিদা মজবুত কৰাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মেক ইন ইণ্ডিয়াৰ দৃষ্টিভংগীক সহযোগিতা আগবঢ়াব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উত্তৰ-পূবত নতুন অৰ্থনৈতিক সম্ভাৱনা সৃষ্টি সন্দৰ্ভতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত অসমৰ উদ্যোগ অনুকুল নীতি তথা ঔদ্যোগিক বিকাশত ৰাজ্য চৰকাৰৰ পদক্ষেপ সন্দৰ্ভত অসম ইলেক্ট্ৰনিকছ ঘূৰণীয়া মেজমেলত অধ্যক্ষতা কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে ছেমি কণ্ডাক্টৰ, ECMS আৰু ইলেক্ট্ৰনিকছ খণ্ডত অসমৰ দ্ৰুত উন্নয়ন সাধন কৰা সন্দৰ্ভত বিশিষ্ট উদ্যোগীসকলৰ সৈতে মত বিনিময় কৰে।

ডঃ শৰ্মাই ইয়াৰ পূৰ্বে নতুন দিল্লীৰ ৰাজীৱ গান্ধী ভৱনত কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডু কিঞ্জাৰাপুৰ সৈতে ফলপ্ৰসূ বৈঠকত মিলিত হৈ উত্তৰ পূৰ্বাঞ্চলত বিমান সংযোগ আৰু আন্তঃগাঁথনি সম্প্ৰসাৰণ সন্দৰ্ভত আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে শিলচৰৰ গ্ৰীণফিল্ড বিমান বন্দৰৰ কাম চলিত বৰ্ষৰ পৰা আৰম্ভ হোৱাৰ উপৰি ৰূপশ্ৰী বিমান বন্দৰৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰে সাক্ষাতৰ কথা উল্লেখ কৰি কয়, যে যোৰহাট, ডিব্ৰুগড় আৰু শিলচৰত অতি শীঘ্ৰেই নতুন বিমান সংযোগেৰে ভাৰতৰ অন্যান্য চহৰলৈ যোৱাৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি প্ৰথমবাৰৰ বাবে বিমানত যাত্ৰা কৰা ব্যক্তিৰ সংখ্যা বৃদ্ধি কৰাৰ বাবে উড়ান আঁচনিৰ অধীনত বহনক্ষম আৰু সুলভ পদক্ষেপ গ্ৰহণ কৰা সন্দৰ্ভতো আলোচনা কৰা হয় বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০

মিজোৰাম চৰকাৰে ৰাজ্যখনৰ ৰাজধানী আইজলৰ ওপৰত কৰা হেঁচা কমাবৰ বাবে আইজলৰ পৰা ৯৩ কিলোমিটাৰ দূৰৈৰ চেৰশ্বিপ জিলাৰ থেনজলত এখন নতুন ৰাজধানী নিৰ্মাণৰ প্ৰস্তাৱ আগবঢ়াইছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী লালডুৰমাই কালি নতুন দিল্লীত অনুষ্ঠিত নীতি আয়োগৰ বৈঠকত এই প্ৰস্তাৱ আগবঢ়াই কয়, যে প্ৰস্তাৱিত এই নতুন ৰাজধানী নগৰখন নিৰ্মাণ হৈ উঠিলে ই প্ৰায় ১৫ লাখ জনসংখ্যাৰ হেঁচা বহন কৰিব পাৰিব। এসময়ৰ অসমৰ লুচাইপাহাৰ জিলাৰ সদৰ আইজল নগৰ মিজোৰাম ৰাজ্য গঠন হোৱাৰ পাছত কিদৰে নগৰত পৰিৱৰ্তন হ'ল – এই বিষয়ে এক প্ৰতিবেদন –

ভইচ

০০০০০০০

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নতুন সভাপতি হিচাপে গৌৰৱ গগৈক নিযুক্তি দিয়া হৈছে। নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে আজি সাংসদ গৌৰৱ গগৈক সভাপতিৰ নতুন দায়িত্ব অৰ্পণ কৰিছে। আনহাতে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই জাকিৰ হুছেইন শিকদাৰ, ৰজলীনা তিৰ্কি আৰু প্ৰদীপ সৰকাৰক কমিটীৰ কাৰ্যকৰী সভাপতি হিচাপে নিযুক্তি দিছে। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক কে বেণুগোপালে আজি নতুন দিল্লীত প্ৰকাশ কৰা এখন প্ৰেছ বিজ্ঞপ্তিত এই কথা প্ৰকাশ কৰিছে। প্ৰদেশ কংগ্ৰেছৰ বিদায়ী সভাপতি ভূপেন কুমাৰ বৰাই আগবঢ়োৱা অৱদানকো দলৰ কেন্দ্ৰীয় নেতৃবৰ্গই প্ৰশংসা কৰিছে বুলি প্ৰেছ বিজ্ঞপ্তিখনত কোৱা হৈছে।

সাংসদ গৌৰৱ গগৈক প্ৰদেশ কংগ্ৰেছৰ সভাপতি নিযুক্তিয়ে অহা বছৰ হ'বলগীয়া ৰাজ্য বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছ দলৰ নিৰ্বাচনী ৰণকৌশলক আকৰ্ষণীয় কৰাৰ অন্যতম প্ৰয়াস বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

কয়লা আৰু খনি দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী সতীশ চন্দ্ৰ ডুবেই আজি বিশ্বনাথত জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বীসকলৰ সৈতে পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত আৱৰ্ত ভৱনত অনুষ্ঠিত বৈঠকত ৰূপায়িত হৈ থকা আঁচনিসমূহৰ বিষয়ে পৰ্যালোচনা কৰা হয়। জিলাখনৰ সৰ্বসাধাৰণৰ সৰ্বাংগীন উন্নয়নৰ বাবে আঁচনিসমূহৰ কাম ক্ষিপ্ৰতাৰে কৰিবলৈ মন্ত্ৰী শ্ৰীডুবেই বিভাগীয় মুৰব্বীসকলক নিৰ্দেশ প্ৰদান কৰে। আঁচনিৰ সুবিধা জনতাই যাতে সঠিক ৰূপত লাভ কৰে সেই সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। বৈঠকত সাংসদ ৰঞ্জিত দত্তৰ লগতে বিশ্বনাথ জিলাৰ তিনিওগৰাকী বিধায়ক উপস্থিত থাকে।

০০০০০০০

অসম চৰকাৰে ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ ঘোষণা কৰাৰে পৰা প্ৰশাসনিক ক্ষেত্ৰত বিস্তৰ পৰিৱৰ্তন সাধন কৰাৰ লগতে ভালেসংখ্যক প্ৰশাসনিক বিষয়া নিযুক্তি দিছে। দিছপুৰৰ অসম সচিবালয়ে আজি এখন জাননীৰ জৰিয়তে ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া জয় বিকাশক ডিব্ৰুগড় পৌৰ নিগমৰ আয়ুক্ত হিচাপে নিযুক্তি দিয়াৰ কথা প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে উত্তৰ শালমাৰাৰ সহকাৰী জিলা আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰা জয় বিকাশক ডিব্ৰুগড় পৌৰ নিগমৰ লগতে ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ উপ-সচিবৰো দায়িত্ব দিয়া হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই

ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানী হিচাপে ঘোষণা কৰি কাম-কাজসমূহ আগবঢ়াই নিয়াৰ বাবে এমাহৰ ভিতৰত পৌৰনিগমৰ মুৰব্বী নিযুক্তি দিয়া হ'ব বুলি ইতিপূৰ্বে ঘোষণা কৰিছিল। এই অনুসৰি বিষয়াগৰাকীক নিযুক্তি দিয়া হৈছে।

০০০০০০০

দুলীয়াজানৰ এটা তেল ডিপোত সংঘটিত ঘটনা সন্দৰ্ভত আটক কৰা প্ৰাক্তন ছাত্ৰ নেতা শংকৰজ্যোতি বৰুৱাৰ জামিন গুৱাহাটী উচ্চ ন্যায়ালয়ে মঞ্জুৰ কৰিছে। এই ঘটনা সন্দৰ্ভত দুলীয়াজান থানাত অভিযুক্ত বৰুৱাৰ বিৰুদ্ধে দুটা গোচৰ ৰুজু হৈছিল। ইয়াৰে এটা গোচৰত বৰুৱাই নিম্ন আদালতত জামিন লাভ কৰে যদিও আন এটা গোচৰত জামিনবিহীন ধাৰা সন্নিবিষ্ট হোৱাৰ বাবে তেওঁ কাৰাৰুদ্ধ হ'বলগীয়া হয়। এই গোচৰটোত জামিন বিচাৰি অভিযুক্তগৰাকী উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি আজি ন্যায়াধীশ মৃদুল কুমাৰ কলিতাৰ বিচাৰপীঠে শংকৰজ্যোতি বৰুৱাৰ জামিন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে যোৱা ১৯ মে'ত আৰক্ষীয়ে বৰুৱাক গ্ৰেপ্তাৰ কৰিছিল।

০০০০০০০

সোণোৱাল কছাৰী সাহিত্য সভাই শিল্পী গায়ত্ৰী হাজৰিকাক মৰণোত্তৰভাৱে সংগীত সৰস্বতী উপাধিৰে বিভূষিত কৰাৰ সিদ্ধান্ত লৈছে। সভাৰ বৈঠকত সৰ্বসন্মতিক্ৰমে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাৰ ২০২৫-২০২৭ বৰ্ষৰ নৱনিৰ্বাচিত পূৰ্ণাংগ সমিতিখনে কালি ডিব্ৰুগড়ত আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰে। এই অনুসৰি মোহন সোণোৱালক সভাপতি আৰু মৃদুল সোণোৱালক সম্পাদক হিচাপে লৈ গঠিত সমিতিখনে সভাৰ প্ৰতিষ্ঠাপক সভাপতি গুণেশ্বৰ সোণোৱালৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত শপত গ্ৰহণ কৰে। এই সভাত সোণোৱাল কছাৰীৰ স্বায়ত্ত শাসিত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য দীপু ৰঞ্জন মাক্ৰাৰীকে ধৰি কেইবাগৰাকীও ব্যক্তিয়ে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত প্ৰয়াত শিল্পী গায়ত্ৰী হাজৰিকাৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁৰ জীৱন আৰু কৃতি সম্পৰ্কেও আলোকপাত কৰা হয়।

০০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক ৰাজীৱ সন্দিকৈক বিশ্ববিদ্যালয়খনৰ শৈক্ষিক পঞ্জীয়কৰূপে অস্থায়ীভাৱে নিযুক্তি দিয়া হৈছে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ননীগোপাল মহন্তই শ্ৰী সন্দিকৈক বৰ্তমান শৈক্ষিক পঞ্জীয়কৰূপে কাৰ্যনিৰ্বাহ কৰি থকা অধ্যাপিকা নন্দনা দত্তৰ পৰা তৎকালে কাৰ্যকৰী হোৱাকৈ কাৰ্যভাৰ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে নেডাৰলেণ্ডছৰ দায়িত্বপ্ৰাপ্ত প্ৰতিষ্ঠান দাখিল কৰা প্ৰতিবেদনৰ ভিত্তিত গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত বিস্তৃতভাৱে অৱগত কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। মহানগৰীখনৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে এটা বেচৰকাৰী সংগঠনে দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণুই আৰু ন্যায়াধীশ কাৰ্ডেক ইতেৰ খণ্ড বিচাৰপীঠে এই নিৰ্দেশ দিয়ে। ইপিনে, অসম চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিবে আজি উচ্চ ন্যায়ালয়ত এখন অতিৰিক্ত শপতনামা দাখিল কৰে। এই শপতনামাৰ জৰিয়তে গুৱাহাটী মহানগৰীত অবৈধভাৱে চলা পাহাৰ খনন ৰোধৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলী সম্পৰ্কত উল্লেখ কৰা হয়।

০০০০০০০

কামৰূপ জিলাত অনুজ্ঞাপত্ৰ বিহীন ঔষধ বিক্ৰেতা প্ৰতিষ্ঠানৰ বিৰুদ্ধে ২৮ টা অভিযান চলাই ৩ খন অনুজ্ঞা পত্ৰবিহীন ঔষধ বিক্ৰী প্ৰতিষ্ঠান বন্ধ কৰা হৈছে বুলি জিলা ঔষধ পৰিদৰ্শকে প্ৰকাশ কৰিছে। আজি জিলাখনৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত জিলা পৰ্যায়ৰ নাৰ্ক' ক' অৰ্ডিনেচন সমিতিৰ সভাত এই বিষয়ে প্ৰকাশ কৰা হয়।

০০০০০০০

কটন কলেজ প্ৰতিষ্ঠাৰ ১২৫ বছৰীয়া দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ প্ৰাক্তন কটনিয়ানৰ মত বিনিময় তথা স্মৃতি ৰোমন্থন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ বিয়লি কটন এলমনাই ভৱনত আয়োজিত এই অনুষ্ঠানত শতায়ু গৰকা প্ৰাক্তন কটনিয়ান ডাঃ চিৰাজুল হক, সত্যকৃষ্ণ মিশ্ৰ আৰু ৯০ বছৰৰ উৰ্ধৰ প্ৰফুল্ল গোবিন্দ বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ ড° দয়ানন্দ পাঠকে প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত বক্তৃতা আগবঢ়াব। অনুষ্ঠানত প্ৰাক্তন কটনিয়ান শিল্পীসকলে সংগীত পৰিৱেশন কৰিব। এই অনুষ্ঠানত সকলো প্ৰাক্তন কটনিয়ানৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

০০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাৰ আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন গুৰুত্বপূৰ্ণ খেলত পাঞ্জাব কিংছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। পইণ্টৰ তালিকাত গুজৰাট টাইটান্‌ছ দলটো সম্প্ৰতি শীৰ্ষস্থানত আছে যদিও আজিৰ খেলত পঞ্জাব আৰু মুম্বাইৰ মাজৰ জয়লাভ কৰা দলটোৱে গুজৰাটক চেৰ পেলাই আগবাঢ়ি যাব পাৰিব। আনহাতে, খেলখনত পৰাজয়বৰণ কৰা দলটোৱে কেৱল ফাইনেলত স্থান লাভ কৰাৰ অতিৰিক্ত সুযোগ এটা হেৰুওৱাই নহয়, বৰঞ্চ প্লে' অফৰ পূৰ্বৰ পৰ্যায়ত গতি হেৰুওৱাৰো সম্ভাৱনা থাকিব।

০০০০০০০

শিৱসাগৰ জিলাৰ গড়গাঁও নিবাসী সাংবাদিক, গল্পকাৰ দুৰ্লভ বুঢ়াগোঁহাইৰ আজি এখন চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত বুঢ়াগোঁহাইৰ বয়স হৈছিল ৮৫ বছৰ। গড়গাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বুঢ়াগোঁহাইৰ মৃত্যুত বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে।

০০০০০০০

**সমাপ্ত**